আনহাতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যম যোগে দিয়া এটা শুভেচ্ছা বাৰ্তাত কয় যে, এয়া দেশৰ বাবে সঁচাকৈয়ে গৌৰৱৰ ক্ষণ। ৰুবিনাৰ অসাধাৰণ একাগ্ৰতা, নিষ্ঠা আৰু কঠোৰ  পৰিশ্ৰমে উল্লেখনীয় সফলতা কঢ়িয়াই অনা বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে।

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াও ৰুবিনাক অভিনন্দন জনাইছে। মন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমৰ এটা পোষ্টত কৈছে যে, ৰুবিনাই শুটিং ক্ষেত্ৰক গৌৰৱৰ ক্ষেত্ৰলৈ ৰূপান্তৰ কৰিছে। তেওঁ লগতে কয় যে, খেলুৱৈগৰাকীৰ অনুশীলনৰ পৰা পদক জয়ৰ যাত্ৰাই সকলোৰে বাবে অনুপ্ৰেৰণাৰ উৎস হৈ ৰ'ব।

০০০০০

কেন্দ্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ড° জিতেন্দ্ৰ সিঙে কালি নতুন দিল্লীত অৰ্থব্যৱস্থা, পৰিৱেশ আৰু কৰ্ম সংস্থাপন সম্পৰ্কীয় জৈৱ প্ৰযুক্তি নীতি Bio-E3 মুকলি কৰে। Bio-E3 মুকলি কৰাৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত ড০ সিঙে কয় যে, এই নীতিয়ে দেশত উচ্চমানৰ জৈৱ সামগ্ৰী উৎপাদনত সহায় কৰিব আৰু ইয়াৰ ফলত খাদ্য, শক্তি তথা স্বাস্থ্য ক্ষেত্ৰত গুৰুত্বপূৰ্ণ প্ৰভাৱ পৰিব। তেওঁ কয় যে, ব্যক্তিগত খণ্ডৰ সহযোগিতাৰে এই নীতি ৰূপায়ণ কৰা হ'ব আৰু ইয়াৰ ফলত কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি হ'ব। তেওঁ কয় যে, জৈৱ সামগ্ৰীৰ নিৰ্মাণ আৰু জৈৱ সামগ্ৰী নিৰ্মাণ কেন্দ্ৰই দেশৰ ভৱিষ্যৎ অৰ্থব্যৱস্থাৰ প্ৰসাৰত অৰিহনা যোগাব আৰু অৰ্থনৈতিক বিকাশ পৰিৱেশ অনুকূল হৈ উঠিব। কেন্দ্ৰীয় মন্ত্ৰীসভাই যোৱা ২৪ আগষ্টত এই Bio-E3 নীতিত অনুমোদন জনাইছিল।

০০০০০

জাৰ্মানীৰ হানোৱাৰত অনুষ্ঠিত বধিৰ শুটি চেম্পিয়নশ্বিপত ভাৰতে এটা সোণ, দুটা ৰূপ আৰু এটা ব্ৰঞ্জৰ পদকসহ মুঠ চাৰিটা পদক লাভ কৰিছে। মহিলাৰ ১০ মিটাৰ এয়াৰ পিষ্টলত অনুয়া প্ৰসাদে সোণৰ পদক লাভ কৰে। অভিনৱ দেশৱালে পুৰুষৰ ১০ মিটাৰ এয়াৰ পিষ্টল শাখাত ৰূপৰ পদক লাভ কৰে। আনহাতে অভিনৱ দেশৱালে শুভম বশিষ্ঠ আৰু চেতন চপকালে পুৰুষৰ ১০ মিটাৰ এয়াৰ পিষ্টলৰ দলীয় শাখাত ৰূপৰ পদক অৰ্জন কৰে। উল্লেখযোগ্য যে, ১৬ খন দেশত ৬৯ গৰাকী খেলুৱৈয়ে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছিল।

০০০০০

ইজৰাইলী সেনা আৰু হামাছে গাজাৰ তিনিটা পৃথক পৃথক অঞ্চলত তিনিদিনৰ বাবে অভিযান বন্ধ ৰাখিবলৈ সন্মতি প্ৰদান কৰিছে। বিশ্ব স্বাস্থ্য সংস্থাৰ এজন জ্যেষ্ঠ বিষয়াই প্ৰকাশ কৰা মতে ৬ লাখ ৪০ হাজাৰ শিশুক পলিঅ' প্ৰদানৰ বাবে গ্ৰহণ কৰা পদক্ষেপৰ প্ৰতি লক্ষ্য ৰাখি এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। গাজাত ১০ জনীয়া এটি শিশু পলিঅ'ত আংশিকভাৱে পক্ষাগাত হোৱাৰ পৰিপ্ৰেক্ষিতত এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। উল্লেখযোগ্য যে, যোৱা ২৫ বছৰত গাজাত এইটোৱেই পলিঅ'ৰ প্ৰথমটো ঘটনা। বিশ্ব স্বাস্থ্য সংস্থাই গাজাৰ ৯০ শতাংশ শিশুক পলিঅ' নিয়ন্ত্ৰণৰ বাবে প্ৰতিষেধক প্ৰদানৰ লক্ষ্যত উপনীত হ'ব বিচাৰিছে। হামাছৰ **কৰ্মবাৰ্তা বাছেন নেইমে** এই অভিযানত সফলতা লাভ কৰাৰ বাবে বিশ্ব স্বাস্থ্য সংস্থাক পূৰ্ণ সহযোগিতা আগবঢ়াব বুলি প্ৰকাশ কৰিছে। ইপিনে ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেনজামিন নেতান্যাহুৱে এই সাময়িক বিৰতিক অস্ত্ৰ বিৰতি হিচাপে গণ্য উচিত নহয় বুলি মন্তব্য কৰিছে।

০০০০০

**সমাপ্ত**